**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-11-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

অসমৰ পাঁচটা বিধানসভা সমষ্টিৰ পৰহিলৈ হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি কিছুসময় পূৰ্বে সামৰণি পৰিছে। নিৰ্বাচনী প্ৰচাৰৰ আজি অন্তিম দিনটোত শেষবাৰৰ বাবে ভোটদাতাৰ মন আকৰ্ষণ কৰিবলৈ সৰ্বাত্মক প্ৰচেষ্টা চলাই আৰু প্ৰচাৰ অভিযানৰ উত্তাপ যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হয়।

মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ সমৰ্থনত মহিলা মৰ্চাই উলিওৱা শোভাযাত্ৰা আনুষ্ঠানিকভাৱে মুকলি কৰে। মন্ত্ৰী অতুল বাৰৰ লগতে ভালেসংখ্যক বিজেপি আৰু অগপৰ কৰ্মীয়ে এই নিৰ্বাচনী সমদলত অংশ লয়। লগতে মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে সমষ্টিটোৰ বিভিন্ন ব্যৱসায়ীৰ সৈতে মত বিনিময় কৰি অন্তিমবাৰৰ বাবে নিৰ্বাচনী প্ৰচাৰ চলায়।

মন্ত্ৰী বিমল বৰাই চামগুৰি সমষ্টিত বিজেপি প্ৰাৰ্থী দিপ্লু ৰঞ্জন শৰ্মাৰ সমৰ্থনত নিৰ্বাচনী সমদলত অংশ লয়। মন্ত্ৰী পীযুষ হাজৰিকাই বিহালী সমষ্টিত বিজেপিৰ প্ৰাৰ্থী দিগন্ত ঘাটোৱালৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ইপিনে, সাংসদ ৰকিবুল হুছেইনে চামগুৰি সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী তানজিন হুছেইনৰ হৈ শেষবাৰৰ বাবে প্ৰচাৰত অংশ লয়। ইয়াৰ লগতে ভালেসংখ্যক দলীয় সমৰ্থকক লৈ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত সমদল উলিওৱা হয়।

পাঁচটা সমষ্টিত সুকলমে আৰু শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। নগাঁও জিলা আয়ুক্তই চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কেইবাটাও নীতি-নিৰ্দেশনা জাৰি কৰিছে। সমষ্টিটোত আজিৰ পৰা ১৩ নৱেম্বৰৰ বিয়লি পাঁচ বজালৈ এখন জাননী যোগে সুৰা নিষিদ্ধ কৰা হৈছে। তদুপৰি ২৩ নৱেম্বৰত ভোট গণনাৰ দিন ধাৰ্য্য কৰাৰ বাবে সেইদিনাও সমষ্টিটোত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে।

০০০০০০০

নতুন দিল্লীত অহা অহা ১৫ আৰু ১৬ নৱেম্বৰত প্ৰথমবাৰৰ বাবে বড়োলেণ্ড মহোৎসৱৰ আয়োজন কৰা হৈছে। নিখিল বড়ো ছাত্ৰ সন্থা, বড়ো সাহিত্য সভা, গান্ধী হিন্দুস্তান সাহিত্য সভা আৰু বড়ো সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত তথা বিটিআৰ প্ৰশাসনৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। ১৫ নৱেম্বৰত এই মহোৎসৱ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিব বুলি খানাপাৰাত আয়োজিত এখন সংবাদমেলত নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দীপেন বড়োয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, বড়োভূমিৰ কলা-সংস্কৃতি, ভাষা সাহিত্যৰ ভিন্ন দিশ প্ৰতিফলিত কৰাৰ উপৰি অঞ্চলটোৰ প্ৰতিষ্ঠা হোৱা শান্তিৰ পৰিৱেশ চিৰস্থায়ী কৰাৰ লক্ষ্যৰে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত হ'বলগীয়া এই মহোৎসৱত পপ্ৰধানমন্ত্ৰীৰ লগতে মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ উপৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। আনহাতে ১৬ নৱেম্বৰত বড়ো সাহিত্য সভাৰ ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হ'ব। এই উপলক্ষে ৰাজঘাটৰ পৰা ইণ্ডিয়া গেটলৈ বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। সেইদিনা বিয়লি হ'বলগীয়া শিক্ষা সম্পৰ্কীয় আলোচনাচক্ৰত কেন্দ্ৰীয়

শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ লগতে কেইবাগৰাকীও ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। বিয়লি ৫ বজাত সাংসদ ৰণগৌৰা নাৰ্জাৰীৰ অধ্যক্ষতাত সংস্কৃতি আৰু পৰ্যটন বিষয়ত আলোচনা অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত উত্তৰ-পূৰ্ব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী প্ৰমুখ্যে বহুলোকে অংশগ্ৰহণ কৰিব। সন্ধিয়াৰ ভাগত সাংস্কৃতিক অনুষ্ঠান, কেন্দ্ৰীয় জনজাতি  পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জুৱেল ওৰামে উদ্বোধন কৰিব বুলি শ্ৰীবড়োৱে আজি সংবাদমেলত প্ৰকাশ কৰে।

০০০০০০০

কুষ্ঠ ৰোগ নিৰ্মূলকৰণ আঁচনিৰ অধীনত ৰাজ্যৰ অন্য জিলাসমূহৰ লগতে কামৰূপ মহানগৰতো কুষ্ঠ ৰোগ চিনাক্তকৰণ অভিযান চলি আছে। এই অভিযানৰ বাবে জিলাখনৰ স্বাস্থ্য বিভাগৰ ফালৰ পৰা ৭৯০ টা দল আৰু ১৬০ গৰাকী পৰ্যৱেক্ষকক নিয়োগ কৰা হৈছে। প্ৰতিটো দলত এগৰাকী আশাকৰ্মী আৰু এগৰাকী প্ৰশিক্ষণপ্ৰাপ্ত স্বাস্থ্যকৰ্মী নিয়োগ কৰা হৈছে। স্বাস্থ্য বিভাগে সকলো চৰকাৰী চিকিৎসালয়তে এই ৰোগৰ ঔষধ সম্পূৰ্ণ বিনামূলীয়াকৈ প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলা কুষ্ঠ কোষ, মাণ্ডলিক কুষ্ঠ বিষয়াৰ সৌজন্যত তথা কামৰূপ মহানগৰ জিলাৰ তত্বাৱধানত এই অভিযান হাতত লোৱা হৈছে। উল্লেখযোগ্য যে, চিকিৎসকৰ ওচৰলৈ আহিবলৈ কুণ্ঠাবোধ কৰা কুষ্ঠৰোগীসকলক উপযুক্ত চিকিৎসা প্ৰদানৰ জৰিয়তে এই ৰোগ নিৰ্মূল কৰাই হৈছে এই অভিযানৰ মূল উদ্দেশ্যে। কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় কুষ্ঠ ৰোগ নিৰ্মূলকৰণ আঁচনিৰ জৰিয়তে ২০২৭ চনৰ ভিতৰত ভাৰতবৰ্ষক কুষ্ঠ মুক্ত দেশ হিচাপে গঢ়ি তুলিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০০০

ন্যায়াধীশ সঞ্জীৱ খান্নাই আজি ভাৰতৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত লয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত এটা বিশেষ অনুষ্ঠানত ন্যায়াধীশ খান্নাক গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। নতুন মুখ্য ন্যায়াধীশগৰাকীয়ে অহা বছৰ মে'ৰ মাজভাগলৈকে ভাৰতৰ মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰিব। উল্লেখযোগ্য যে শ্ৰী খান্না ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ স্থলাভিষিক্ত হৈছে। ১৯৬০ চনৰ ১৪ মে'ত জন্মগ্ৰহণ কৰা ন্যায়াধীশ সঞ্জীৱ খান্নাই ১৯৮৩ চনত দিল্লী বাৰ কাউন্সিলত অধিবক্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল। তেওঁক ২০০৫ চনত দিল্লী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে দায়িত্ব প্ৰদান কৰা হৈছিল। ২০১৯ চনত ন্যায়াধীশ খান্নাই উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। উচ্চতম ন্যায়ালয়ৰ কেইবাটাও গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰাৰ ক্ষেত্ৰত ন্যায়াধীশ সঞ্জীৱ খান্নাই ভূমিকা গ্ৰহণ কৰিছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ন্যায়াধীশ খান্নাক দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। তেওঁ লগতে ন্যায়াধীশগৰাকীৰ কাৰ্যকালৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০০০

**সমাপ্ত**